# সৰুপথাৰ মহাবিদ্যালয়
স্থাপিত ঃ ১৯৭০ চন
SARUPATHAR COLLEGE

# প্ৰতিবিম্ব ই-বাৰ্তা
# The Reflection

তৃতীয় বছৰ, দ্বিতীয় সংখ্যা (এপ্ৰিল-মে’), ২০২৬, সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত।। তৃতীয় বছৰ, দ্বিতীয় সংখ্যা।। মাহেকীয়া ই-বাৰ্তা, ৩০ মে’, ২০২৬, শনিবাৰ


## সৰুপথাৰ মহাবিদ্যালয়ত সংগ্ৰহালয়ৰ (Museum) সম্পদ সংৰক্ষণ বিষয়ক ব্যৱহাৰিক কৰ্মশালা

২৮ এপ্ৰিল, ২০২৬ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ যাদুঘৰত (Museum) সংগ্ৰহালয়ৰ সম্পদ সংৰক্ষণ বিষয়ক ব্যৱহাৰিক কৰ্মশালা অনুষ্ঠিত হয়। বিভিন্ন দশকৰ পুৰণি সম্পদসমূহৰ সঠিক যতন আৰু বৈজ্ঞানিক সংৰক্ষণ পদ্ধতি সম্পৰ্কে সজাগতা সৃষ্টি কৰাই আছিল এই অনুষ্ঠানৰ মূল লক্ষ্য। উক্ত কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে যোৰহাট জিলা সংগ্ৰহালয় বিষয়া অৱন্তিকা পৰাশৰ। তেওঁ নিজৰ সুদীৰ্ঘ অভিজ্ঞতাৰ আধাৰত পুৰণি সামগ্ৰীসমূহ কেনেকৈ দীৰ্ঘকাললৈ সুৰক্ষিত কৰি ৰাখিব পাৰি, সেই বিষয়ে এক সৰল অথচ তথ্যগধুৰ ব্যাখ্যা দাঙি ধৰে। প্ৰশিক্ষণৰ সময়ত সংগ্ৰহালয় বিষয়াগৰাকীয়ে প্ৰাচীন সম্পদসমূহ সংৰক্ষণ কৰাৰ বিভিন্ন কাৰিকৰী দিশৰ ওপৰত আলোকপাত কৰে। বিভিন্ন ঐতিহাসিক সম্পদসমূহ কেনে পৰিৱেশত ৰখা উচিত। জলবায়ু বা আৰ্দ্ৰতাৰ পৰা সম্পদসমূহ কেনেকৈ ৰক্ষা কৰিব পাৰি। কি ধৰণৰ ৰাসায়নিক বা প্ৰাকৃতিক উপায় অৱলম্বন কৰিলে সম্পদসমূহ নষ্ট নোহোৱাকৈ থাকে ইত্যাদি দিশৰ জ্ঞান প্ৰদান কৰে। কেৱল তাত্ত্বিক আলোচনাতে সীমাবদ্ধ নাথাকি, কৰ্মশালাখনত ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে কেইবাটাও ব্যৱহাৰিক দিশ প্ৰদৰ্শন কৰা হয়। অৱন্তিকা পৰাশৰে ছাত্ৰ-ছাত্ৰীসকলক হাতে-কামে সংৰক্ষণৰ প্ৰক্ৰিয়াসমূহ দেখুৱাই দিয়ে। এই অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ, অধ্যাপক-অধ্যাপিকাসকলৰ লগতে বহুসংখ্যক উৎসাহী ছাত্ৰ-ছাত্ৰীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। সংগ্ৰহালয়ৰ এই কৰ্মশালাৰ জৰিয়তে সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ঐতিহাসিক সম্পদৰ গুৰুত্ব আৰু ইয়াৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে যথেষ্ট উপকৃত হয়।■



## ৰেংলাৰ অনুপম শইকীয়াৰ দ্বাৰা গণিত শিক্ষণৰ অভিনৱ পদ্ধতি আৰু গণিত বিষয়ৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মনত থকা শংকা নিৰ্মূলকৰণ বিষয়ক মনোজ্ঞ বক্তৃতা প্ৰদান অনুষ্ঠান

৩০ এপ্ৰিল, ২০২৬ সৰুপথাৰ কলেজ শিক্ষক গোটে আয়োজন কৰা এক বক্তানুষ্ঠান আই.আই.টি, গুৱাহাটীৰ অধ্যাপক, ৰেংলাৰ অনুপম শইকীয়াই গণিত শিক্ষণ আৰু গণিত সম্পৰ্কে থকা ছাত্ৰ-ছাত্ৰীৰ শংকা নিৰ্মূলকৰণ বিষয়ক এটি মনোজ্ঞ বক্তৃতা প্ৰদান কৰে। উক্ত বক্তানুষ্ঠানত সৰুপথাৰ মহাবিদ্যালয়ৰ লগতে বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অতি সক্ৰিয়তাৰে অংশগ্ৰহণ কৰে। ৰেংলাৰ অনুপম শইকীয়াই গণিত শিক্ষণৰ অভিনৱ পদ্ধতি আৰু গণিত বিষয়টোৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মনত থকা অহেতুক শংকা বা ভীতি নিৰ্মূলকৰণৰ ওপৰত এক অতি মনোজ্ঞ তথা তথ্যগধুৰ বক্তৃতা প্ৰদান কৰি, তাত উপস্থিত থকা মহাবিদ্যালয়খনৰ লগতে নিকটৱৰ্তী বিভিন্ন বিদ্যালয়ৰ পৰা অহা অগণন অনুসন্ধিৎসু শিক্ষাৰ্থীক তেখেতৰ অসাধাৰণ পাণ্ডিত্য আৰু বিৰল সান্নিধ্যৰে বৌদ্ধিকভাৱে সমৃদ্ধ কৰাৰ সমান্তৰালকৈ, বৰ্তমান সময়ৰ প্ৰেক্ষাপটত এনে এক অতি প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ বিষয় নিৰ্বাচন কৰি ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰাৰ মানসেৰে অনুষ্ঠানটি সৰ্বাংগীনভাৱে সফল কৰি তোলাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষা ড° প্ৰাপ্তি ঠাকুৰে শিক্ষক গোটৰ সভাপতি শ্ৰীপৰাগ ভূঞা, ড° ৰিদিপ খনিকৰ আৰু ড° ৰবিতা দত্ত প্ৰমুখ্যে সকলো শিক্ষকবৃন্দৰ ঐকান্তিক প্ৰচেষ্টাক প্ৰশংসা কৰাৰ লগতে তেখেতসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।■




## ৰাষ্ট্ৰীয় কুংফু চেম্পিয়নশ্বিপত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰী নাং ছেং চিৰিঙৰ স্বৰ্ণ পদক অৰ্জন

সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰী নাং ছেং চিৰিঙৰ সাফল্য। ২৪,২৫ আৰু ২৬ এপ্ৰিল, ২০২৬ তাৰিখে মেঘালয়ৰ ইউ.এছ.টি এম বিশ্ববিদ্যালয়ত অনুষ্ঠিত আৰু কুংফু স্প’ৰ্টছ এছচিয়েছন, মেঘালয়ৰ দ্বাৰা আয়োজিত দশম ৰাষ্ট্ৰীয় কুংফু চেম্পিয়নশ্বিপত সৰুপথাৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী নাং ছেং চিৰিঙে স্বৰ্ণ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। ছাত্ৰীগৰাকীৰ এই সফলতাই মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গক আনন্দিত কৰিছে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বেও ছাত্ৰীগৰাকীয়ে ক্ৰীড়াৰ ক্ষেত্ৰত কেইবাটাও পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। নাং ছেং চিৰিঙলৈ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।■

## সৰুপথাৰ মহাবিদ্যালয়ত উত্তৰ পূৰ্বাঞ্চল ভিত্তিক তৰ্ক প্ৰতিযোগিতা

১৯ মে’, ২০২৬ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ত উত্তৰ পূৰ্বাঞ্চল ভিত্তিত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। গোলাঘাট জিলাৰ অন্যতম উচ্চশিক্ষাৰ কঠিয়াতলী সৰুপথাৰ মহাবিদ্যালয়ত ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনী, আভ্যন্তৰীণ মাণ নিৰ্ণায়ক কোষ (IQAC) আৰু ছাত্ৰ একতা সভাৰ সহযোগত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হয় উত্তৰ পূৰ্বাঞ্চল ভিত্তিক তৰ্ক প্ৰতিযোগিতা। তৰ্কৰ বিষয়; সদনৰ মতে **“উত্তৰ পূৰ্বাঞ্চলৰ প্ৰেক্ষাপটত একক নাগৰিক সংহিতাৰ (UCC) প্ৰৱৰ্তনে আমূল পৰিৱৰ্তন সাধন কৰিব।”**




**"In opinion of the house,the introduction of the uniform civil code will bring about radical changes in the context of the North East."**

ডিব্ৰুগড় বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়, বীৰাঙ্গনা সতী সাধনী বিশ্ববিদ্যালয়, তেজপুৰ বিশ্ববিদ্যালয়, Loreto Convent, Shillong, Institute of Mass Communication and Media Studies,Guwahati, Arunodoi Academy, Sivsagar, বাহনা কলেজ, কে.চি দাস কমাৰ্চ কলেজৰ পৰা মুঠ ১৮ গৰাকী তাৰ্কিকে অংশগ্ৰহণ কৰা তৰ্ক প্ৰতিযোগিতাখন অতি সময়োপযোগী বিষয়ত সপক্ষে -বিপক্ষে তুমুল বাকযুদ্ধ হয়। অধ্যক্ষৰ আসন অলংকৃত কৰিছিল ড° মহাশ্বেতা দেৱী। বিচাৰক হিচাপে আছিল উজনি অসমৰ বিশিষ্ট সাংবাদিক কৌস্তুভমণি কাকতি, বিশিষ্ট তাৰ্কিক, তাত্ত্বিক বিশ্লেষক ত্ৰিদিপ ভাগৱতী, তাৰ্কিক, বিশ্লেষক প্ৰাঞ্জল প্ৰতিম ডেকা।



তৰ্ক প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ তাৰ্কিক কে.চি দাস কমাৰ্চ কলেজৰ নিখিল মহেশ্বৰীয়ে লাভ কৰিবলৈ সক্ষম হয়। দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক হিচাপে যুটীয়াকৈ কটন বিশ্ববিদ্যালয়ৰ গীতাৰ্থ বৰা, বাহনা কলেজৰ দীপাংকৰ শইকীয়াই লাভ কৰে। তৃতীয় শ্ৰেষ্ঠ তাৰ্কিক হিচাপে যুটীয়াভাৱে কটন বিশ্ববিদ্যালয়ৰ জিত পাঠক, সতী সাধনী বিশ্ববিদ্যালয়ৰ দিব্যজ্যোতি নাথে লাভ কৰিবলৈ সক্ষম হয়। সমান্তৰালকৈ শ্ৰেষ্ঠ দল হিচাপে তেজপুৰ বিশ্ববিদ্যালয়ৰ সুদীপ্ত শইকীয়া আৰু ৰাহুল ৰোহন পালে অৰ্জন কৰে। দ্বিতীয় শ্ৰেষ্ঠ দল হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমীৰ ৰিমাল আৰু উৎপলজ্যোতি বৰাই লাভ কৰিবলৈ সক্ষম হয়। বিচাৰকৰ প্ৰশ্নত শ্ৰেষ্ঠ উত্তৰ দিবলৈ সক্ষম হোৱা কটন বিশ্ববিদ্যালয়ৰ গীতাৰ্থ বৰাই জুৰিৰ বিশেষ বঁটা (JURY Award) পাবলৈ সক্ষম হয়।■

## এপ্ৰিল-মে’ মাহত সম্পন্ন হ’ল বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

সৰুপথাৰ মহাবিদ্যালয়ৰ বৰ্ধিত কাৰ্যসূচীৰ অন্তৰ্গত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ প্ৰতি মাহৰ প্ৰথম শনিবাৰে অনুষ্ঠিত কৰি অহা হৈছে। ৪ এপ্ৰিল, ২০২৬ তাৰিখ এপ্ৰিল মাহৰ প্ৰথমটো শনিবাৰে প্ৰতিমাহৰ দৰে এপ্ৰিল মাহৰো প্ৰথমটো শনিবাৰে সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগ আৰু সৰুপথাৰ সমজিলা স্বাস্থ্য কেন্দ্ৰৰ সহযোগত মুকলি স্বাস্থ্য পৰীক্ষা শিবিৰ এপ্ৰিল মাহত অনুষ্ঠিত হ’ল সৰুপথাৰ মহাবিদ্যালয়ত। মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী সহিতে ছাত্ৰ-ছাত্ৰীসকলে এই শিবিৰত অংশগ্ৰহণ কৰে। সমান্তৰালকৈ মে’ মাহৰ স্বাস্থ্য পৰীক্ষা শিবিৰ ৯ মে’, ২০২৬ তাৰিখে পদুমণি মধ্য ইংৰাজী বিদ্যালয়, সৰুপথাৰত সফলতাৰে এই কাৰ্যসূচী সম্পন্ন হয়। সৰুপথাৰ সমজিলা স্বাস্থ্য বিষয়া ডাঃ অজিত গগৈৰ তৎপৰতাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ বৰ্ধিত কাৰ্যসূচীৰ সমন্বয়ক ড° ৰবিতা দত্তৰ প্ৰচেষ্টাত বিনামূলীয়া চিকিৎসা প্ৰদান কাৰ্যসূচীয়ে ইতিমধ্যে তিনিবছৰ সম্পূৰ্ণ কৰিছে। সৰুপথাৰ সমজিলা অসামৰিক চিকিৎসালয়ৰ চিকিৎসক, চিকিৎসা কৰ্মীসকলৰ সহযোগত প্ৰত্যেকটো চিকিৎসা শিবিৰত বিনামূলীয়া চিকিৎসা প্ৰদান, তেজ পৰীক্ষা আৰু প্ৰয়োজনীয় ঔষধ বিতৰণ কৰা হয়। ইয়াৰ দ্বাৰা বিদ্যালয়খনৰ শিক্ষক,ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় লোকসকল উপকৃত হয়।■



# অৰ্থনীতি বিভাগৰ হাতে লিখা আলোচনী ‘অৰ্থদৃষ্টি’ প্ৰকাশ

হাতে লিখা আলোচনীৰ পৰম্পৰা সৰুপথাৰ মহাবিদ্যালয়ত অব্যাহত ৰাখিছে ছাত্ৰ-ছাত্ৰীসকলে। অৰ্থনীতি বিভাগৰ হাতে লিখা আলোচনী ‘অৰ্থদৃষ্টি’। জ্ঞান আৰু সৃজনীশীলতাৰ এক অবিৰত যাত্ৰাত অগ্ৰসৰ হৈছে সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল। সাম্প্ৰতিক ডিজিটেল যুগৰ ধামখুমীয়াৰ মাজতো শিক্ষানুষ্ঠানখনত হাতে লিখা আলোচনীৰ দৰে এক সুন্দৰ আৰু বৌদ্ধিক পৰম্পৰা সগৌৰৱে অব্যাহত ৰাখিছে। সাহিত্য আৰু বৌদ্ধিক চৰ্চাৰ এই বৰ্ণিল যাত্ৰাপথৰ অন্যতম এক গৌৰৱোজ্জ্বল অংশীদাৰ হৈছে মহাবিদ্যালয়খনৰ অৰ্থনীতি বিভাগ, যাৰ ঐকান্তিক প্ৰচেষ্টাত ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা আৰু অৰ্থনৈতিক চিন্তা-চেতনাৰ এক সুন্দৰ প্ৰকাশ ঘটিছে। এই নিৰন্তৰ বৌদ্ধিক প্ৰয়াসৰ এক সুন্দৰ নিদৰ্শন স্বৰূপে যোৱা ২৯ মে’, ২০২৬ তাৰিখে অৰ্থনীতি বিভাগৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে একত্ৰিত হৈ তেওঁলোকৰ মেধা, শ্ৰম আৰু একাগ্ৰতাৰ ফচল, বিভাগীয় হাতে লিখা আলোচনী ‘অৰ্থদৃষ্টি’ৰ দ্বিতীয় বছৰৰ দ্বিতীয়টো সংখ্যা মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়ৰ হাতত আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। শিক্ষক আৰু শিক্ষাৰ্থীৰ এক সুন্দৰ সমন্বয়ত প্ৰকাশিত এই আলোচনীখনে কেৱল বিভাগটোৰ শৈক্ষিক উত্তৰণৰ দিশটোৰেই প্ৰতিফলিত কৰা নাই, বৰঞ্চ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক অন্বেষণ, বিশ্লেষণাত্মক দৃষ্টিভংগী আৰু সৃষ্টিশীল মননৰ এক দলিল হিচাপে পৰিগণিত হৈছে, যিয়ে ভৱিষ্যতলৈকো ন-ন চিন্তাৰ উন্মেষ ঘটাই জ্ঞানৰ এই অসীম যাত্ৰা নিৰৱচ্ছিন্নভাৱে চলাই নিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।■



## *English Section*

## Free Anemia and Hemoglobin Test Camp Organized at Sarupathar College

Sarupathar College organized a Free Anemia and Hemoglobin Test Camp for its students, teachers, and non-teaching staff on May 12, 2026. The health camp was conducted by the Indian Council of Medical Research (ICMR) in collaboration with the NSS, NCC, and Red Ribbon Club of the college.




The primary objective of the programme was to promote health awareness among the academic community and encourage the early detection and prevention of Anemia and other related health concerns. A team of experienced medical professionals and laboratory experts carried out hemoglobin screening using modern testing facilities, ensuring efficient and reliable health assessments.

The camp witnessed enthusiastic participation from students, who also received expert guidance on maintaining a balanced diet, adopting healthy lifestyle practices, and understanding the importance of adequate hemoglobin levels for overall well-being. The interactive counselling sessions helped raise awareness about preventive healthcare and nutritional habits. The active involvement of volunteers from the NSS, NCC, and Red Ribbon Club played a vital role in the smooth conduct of the programme, which benefited a large number of participants and reinforced the institution's focus on community health and student welfare.■

## Institution's Innovation Council (IIC) Meeting 2026

A meeting regarding the Quarter 4 activities of the IIC Portal was held on 14th May, 2026 at 1:30 PM in the IQAC Room under the chairmanship of Dr. Jayashree Bordoloi, Convenor. The meeting was attended by President Jayanta Borah, Vice President Dr. Prem Kanta Borah, and all the members of the IIC.




The meeting focused on reviewing and discussing the activities, progress, and timely submission of Quarter 4 reports on the IIC Portal. Members discussed the implementation of innovation, entrepreneurship, and institutional activities conducted during the quarter. Necessary suggestions were also provided for the smooth functioning and effective completion of portal-related tasks.■

## IQAC Review Meeting 2026

The IQAC Review Meeting was held on 14th May 2026 at IQAC Hall, Sarupathar College to review academic activities, quality enhancement initiatives, and institutional progress. Faculty members and committee coordinators discussed future plans, academic development, and measures for strengthening quality assurance practices within the institution.■

## Academic Council Discusses Implementation of Fourth Year FYUGP under NEP 2020

**Sarupathar, May 16, 2026:** An important meeting of the Academic Council was held at the IQAC Room of Sarupathar College on May 16, 2026, to discuss the implementation of the Fourth Year of the Four-Year Undergraduate Programme (FYUGP) under the National Education Policy (NEP) 2020 from the academic session 2026–27.



Presided over by the Principal, the meeting was attended by the Vice Principal, IQAC Coordinator, Heads of Departments, and faculty members. The IQAC Coordinator explained the guidelines for implementing the Fourth Year programme, emphasizing academic planning, student awareness, and infrastructural preparedness.

After detailed deliberations, the Academic Council resolved to organize an awareness programme for sixth-semester students on May 20, 2026. It was also decided that the college would offer only the BA with Honours programme in the Fourth Year during the 2026–27 session and would not introduce the Honours with Research option due to infrastructural and academic constraints. The meeting concluded with a vote of thanks by the IQAC Coordinator, expressing appreciation to all members for their valuable contributions toward the successful implementation of FYUGP under NEP 2020.■

## Special Lecture on the History of Congress Split and the Role of Mahatma Gandhi

On 1st April 2026, a special lecture was organized by the Department of History at Sarupathar College. The lecture was delivered by Dr. Amiyo Kr. Das, Principal of Joya Gogoi College, Khumtai, Golaghat. The program was held in the Digital Classroom of Sarupathar College.



The topic of the lecture was "The History of Congress Split and the Role of Mahatma Gandhi." In his insightful presentation, Dr. Das explained the historical background of the split within the Indian National Congress and highlighted the political circumstances that led to the division. He discussed the ideological differences among leaders and the impact of these differences on the Indian freedom movement.

Dr. Das also elaborated on the significant role played by Mahatma Gandhi in shaping the direction of the Congress and maintaining unity among its members. He emphasized Gandhi's philosophy of non-violence and truth, which greatly influenced the strategies and ideals of the national movement.

The lecture was highly informative and engaging for the students and faculty members present. Participants gained valuable insights into an important phase of India's political history. The session concluded with an interactive discussion where students asked questions and shared their views on the topic.

The program proved to be a successful academic event, enriching the knowledge of students and encouraging a deeper understanding of the historical developments within the Indian National Congress. The Department of History expressed gratitude to Dr. Amiyo Kr. Das for delivering such an enlightening lecture.■

# Dr. Sanjay Rizal Brings Glory to Sarupathar College, Becomes ANO with Multiple Distinctions in PRCN Course.



Sarupathar College celebrated a proud moment as Dr. Sanjay Rizal successfully completed the prestigious PRCN Course and officially became an Associate NCC Officer (ANO).

During the course, he earned several remarkable achievements and distinctions. He was awarded the Outstanding Performance Certificate along with a commendation from the Company Commandant for his exceptional dedication and overall excellence during the training period. He was also honoured with the “Best English Article of the Entire Course” award and received a medal from the Commandant for his outstanding writing skills.



In addition, he successfully completed a three-month Diploma in Personality Development and Leadership Skills and a three-week IT Certificate Course as part of the training programme. He further achieved excellence in Physical Training (PT), Firing, and Drill, demonstrating high standards of discipline, leadership, and commitment.

To honour his achievements, the Principal of Sarupathar College warmly welcomed and felicitated him for bringing laurels to the institution through his outstanding performance and successful completion of the PRCN Courses.

Later, both the SD and SW Wings of NCC, Sarupathar College, also felicitated and congratulated him on becoming an ANO and for his remarkable accomplishments during the course. NCC cadets, faculty members, and well-wishers expressed their appreciation and extended their best wishes for his future journey in NCC leadership and service.■

# Women’s Cell Organizes Awareness-cum-Sanitary Pad Distribution Programme

**Sarupathar, May 21, 2026:** The Women’s Cell of Sarupathar College organized an **Awareness-cum-Sanitary Pad Distribution Programme** for Higher Secondary girl students on May 21, 2026, with the objective of promoting menstrual hygiene awareness and encouraging healthy practices among young women.



The programme was attended by the Principal of the college, **Dr. Prapti Thakur**, along with the members of the Women’s Cell. Addressing the students, the speakers highlighted the importance of menstrual hygiene, proper sanitation, and breaking the social stigma associated with menstruation. They encouraged the students to adopt safe and hygienic practices for maintaining good health.

As part of the programme, sanitary pads were distributed among the Higher Secondary girl students. The initiative was well received by the participants and reflected the college’s commitment to promoting women’s health, hygiene, and overall well-being.■

# Free Textbook Distribution at Sarupathar College

The distribution of free textbooks provided by the Government for Higher Secondary First Year and Second Year Commerce students of Sarupathar College was successfully completed on 22nd May 2026 at the Sahityacharya Bishweshwar Hazarika Central Library. A large number of students collected their textbooks from the library. The distribution process was conducted smoothly under the supervision of the college library staff. The initiative aimed to support students in their academic pursuits by ensuring the timely availability of textbooks.■

# Sarupathar College Organizes Lecture on Indian Knowledge System

**Sarupathar, May 18, 2026:** Sarupathar College, in collaboration with the Internal Quality Assurance Cell (IQAC), organized a One-Day Lecture Programme on the Indian Knowledge System (IKS) at the MuhikantaTamuli Auditorium on May 18, 2026. The programme aimed to familiarize students and faculty members with India’s rich intellectual and cultural heritage and highlight the contemporary relevance of the Indian Knowledge System.



The resource person, noted public speaker and writer **Diganta Biswa Sarma**, delivered a lecture on **“Introduction to Indian Knowledge System and India’s Three Powers.”** Drawing references from the *Ramayana*, *Mahabharata*, and *Bhagavad Gita*, he explained the significance of Indian knowledge traditions in promoting ethics, spirituality, creativity, and intellectual excellence. He also emphasized the role of the National Education Policy (NEP) 2020 in integrating IKS into higher education and encouraged students to reconnect with India’s indigenous knowledge traditions.

The programme witnessed enthusiastic participation from students, faculty members, IQAC members, and invited guests. An interactive question-and-answer session followed the lecture, reflecting the audience’s keen interest in the subject. The event concluded with a vote of thanks delivered on behalf of the IQAC Coordinator, marking the successful completion of an academically enriching programme.■

# Guest Lecture Series 3.0 on Postcolonial Feminism Held at Sarupathar College

The Departments of Assamese and English of Sarupathar College jointly organised **Guest Lecture Series 3.0** on *Postcolonial Feminism* at the Digital Conference Hall on 25 May 2026.

The keynote lecture was delivered by **Prof. Aparna Bhattacharyya**, Retired Professor, Department of English, Gauhati University. In her address, Prof. Bhattacharyya provided an in-depth understanding of postcolonial feminism, highlighting the practical applications of its theoretical concepts in contemporary social and literary contexts. Her insightful presentation encouraged critical engagement and was well appreciated by the audience.




The programme was attended by the Principal of the college, **Dr. Prapti Thakur**, along with faculty members and students of the Departments of Assamese and English. The lecture concluded with an interactive session, making the event a meaningful academic experience for all participants.■




সমাজতত্ত্ব বিভাগৰ চতুৰ্থ ষান্মাসিকৰ ছাত্ৰী সংগীতা তালুকদাৰে মহাবিদ্যালয়ত আজৰি সময়ত তাঁতশালত কাপোৰ বৈ উলিয়াইছে।

**প্ৰতিবিম্ব ই-বাৰ্তাৰ এই সংখ্যাৰ** সম্পাদনা সমিতিঃ

মুখ্য উপদেষ্টাঃ ড° প্ৰাপ্তি ঠাকুৰ

উপদেষ্টাঃ ড° ববিতা দত্ত

সম্পাদকঃ সত্যব্ৰত দত্ত

সম্পাদক (ইংৰাজী শাখা)ঃ তৃস্মিতা বড়া

সহঃ সম্পাদকঃ যুগল মেধি, কাৰিকৰী ব্যৱস্থাপনা ঃ যুগল মেধি